দৈনিক জনমভূমি
THE DAINIK JANAMBHUMI
Date : 22-Feb-16 Page : 13

# এন আৰ এল মাৰাথনত শ্ৰেষ্ঠ কেনিয়াৰ প্ৰতিযোগী




অসীমজ্যোতি বৰা, তেলগৰম ঃ ২১ ফেব্ৰুৱাৰী ঃ পুৱা চাৰি বজাৰ পৰাই মানুহৰৰ লানি নিচিগা সোঁত নুমলীগড়ত। উৎসাহ আৰু উৎসুকতা সকলোৰে মনত। নুমলীগড় শোধনাগাৰে প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা মাৰাথনক লৈ আজি এক দৃষ্টিনন্দন পৰিৱেশ দেখা গ'ল সমগ্ৰ নুমলীগড়ত। উল্লেখযোগ্য যে তিনি কিলোমিটাৰ, পাঁচ কিলোমিটাৰ আৰু দহ কিলোমিটাৰ পুৰুষ মহিলা উভয় শাখাতে আন্তৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত এই প্ৰতিযোগিতাত ২৩০০ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। গোলাঘাট জিলাৰ বিভিন্ন স্থানৰ গৰিষ্ঠ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰাৰ উপৰি দেশ আৰু ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে সুদূৰ কেনিয়াৰ প্ৰতিযোগিয়েও অংশ গ্ৰহণ কৰে। নুমলীগড় হাইস্কুল খেলপথাৰত আৰম্ভ কৰা দহ কিলোমিটাৰ মাৰাথন, লৱণঘাট চাওৰাবস্তি এল পি স্কুলৰ পৰা তিনি কিলোমিটাৰ আৰু পাঁচ কিলোমিটাৰ মাৰাথন পতাকা জোকাৰি শুভাৰম্ভ কৰে ক্ৰমে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক এন কে যাদৱ, নুমলীগড় শোধনাগাৰৰ অম্বিকা পদ্মনাভন আৰু অভিনেত্ৰী বৰষাৰাণী বিষয়াই। পুৱা ৫-৩০ বজাত ৰেচৰ শুভাৰম্ভ কৰা হয়। প্ৰথম অৱস্থাত লৱণঘাটৰ পৰা ৩৯ নং ৰাষ্ট্ৰীয় পথেৰে নুমলীগড় শোধনাগাৰ নগৰাঞ্চললৈকে তিনি কিলোমিটাৰ আৰু পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰতিযোগিতা সম্পন্ন হয়। ইয়াৰ লগতে নুমলীগড় হাইস্কুলৰ পৰা নগৰাঞ্চললৈকে দহ কিলোমিটাৰ আনটো ভাগৰ প্ৰতিযোগীতা সম্পন্ন হয়। প্ৰতিযোগিতাত কেনিয়াৰ চিমন কিপলোগেতে প্ৰথম স্থান আৰু পিটাৰ নাৱাংগীয়ে দ্বিতীয় স্থান অধিকাৰ কৰে। দহ কিলোমিটাৰ প্ৰতিযোগিতাত দহ গৰাকী প্ৰতিযোগীক পুৰস্কৃত কৰা হয়। একেদৰে দহ কিলোমিটাৰ দূৰত্বৰ মহিলা শাখাত মাতোৱাৰা আহমেদ(গুৱাহাটী) প্ৰথম স্থান আৰু গুৱাহাটীৰে সূৰ্যা ভানুৱে দ্বিতীয় স্থান অধিকাৰ কৰে। পাঁচ কিলোমিটাৰ দূৰত্বৰ পুৰুষ শাখাত গুৱাহাটীৰ হাবিবুল আহমেদে প্ৰথম আৰু তেহাৰ আলীয়ে দ্বিতীয় স্থান অধিকাৰ কৰে। মহিলা শাখাত মিনোৱাৰা খাটুনে প্ৰথম আৰু গোলাঘাটৰ সুমিত্ৰা মিৰ্ধাই দ্বিতীয় স্থান অধিকাৰ কৰে। তিনি কিলোমিটাৰ প্ৰতিযোগীতাত পুৰুষত বাদুলিপাৰৰ নাৰায়ন তায়াৰে প্ৰথম আৰু বোকাখাতৰ হেমন্ত বৰুৱাই দ্বিতীয় স্থান লাভ কৰে। তিনি কিলোমিটাৰ মহিলা শাখাত ভৱানী কছাৰীয়ে প্ৰথম আৰু মাইনা পথৰীয়ে দ্বিতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাত দৌৰবিদ অৰ্জুন ভোগেশ্বৰ বৰুৱা, শৰীৰ চৰ্চাবিদ মহাদেৱ ডেকা, অভিজিত বৰুৱা, অভিনেতা প্ৰাঞ্জল শইকীয়া, অভিনেত্ৰী বৰষাৰাণী বিষয়াকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে।